**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

দুদিনীয়া ভ্ৰমণসূচীৰে কালি অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰাক উপত্যকা তথা উত্তৰ-পূব ভাৰতৰ যোগাযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ব্যৱস্থা হিচাপে প্ৰধানমন্ত্ৰীয়ে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া গুৱাহাটী-শিলচৰ হাইস্পীড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই গুৱাহাটী আৰু শিলচৰৰ মাজৰ যাত্ৰাৰ সময় ৫ ঘণ্টালৈ হ্ৰাস কৰাৰ লগতে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু সামগ্ৰিক উন্নয়নত নতুন গতি আনিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে অনুষ্ঠানত দিয়া ভাষণত এই হাইস্পীড কৰিড'ৰে বৰাক উপত্যকাৰ উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। কেইবা দশকজোৰা প্ৰতীক্ষাৰ অন্ত পেলাই এই কৰিড'ৰে মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ সৈতে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে আশা প্ৰকাশ কৰে। এই পদক্ষেপ অসমক দক্ষিণ-পূব এছিয়াৰ সৈতে যোগাযোগৰ উপযুক্ত মাধ্যম হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট ঃ মোদী

শ্ৰীমোদীয়ে এই অনুষ্ঠানতে প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া শিলচৰ নগৰৰ বহু প্ৰতীক্ষিত উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। শিলচৰৰ অম্বিকাপুৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত আছিল।

অসম ভ্ৰমণসূচী সামৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি পশ্চিম বংগলৈ ৰাওনা হৈছে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি সন্ধিয়া গুৱাহাটীত উপস্থিত হৈছে। মন্ত্ৰীগৰাকীক বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়। শ্ৰীশ্বাহে আজি নিশাটো ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কাইলৈ ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত যুৱ শক্তি সমাৰোহত অংশগ্ৰহণ কৰিব।

মন্ত্ৰীগৰাকীয়ে কাইলৈ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট আৰু তিনিচুকীয়া কৰ্কট কেন্দ্ৰকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাল, যোৰহাট, বৰপেটা, অভয়াপুৰী চুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু গুৱাহাটী স্বাস্থ্য ভৱনৰ আধাৰশিলা স্থাপন কৰিব।

০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীৰ ঘোষণা আৰু নিৰ্বাচনী প্ৰচাৰকে ধৰি বিভিন্ন প্ৰস্তুতি অব্যাহত ৰাখিছে। ৰাইজৰ দলে আজি দুটা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। এই অনুসৰি নাওবৈচা সমষ্টিত হৰিকান্ত দাসক আৰু ধেমাজী সমষ্টিত বাবুল সোণোৱালক প্ৰাৰ্থীত্ব দিয়া হৈছে। ইয়াৰ আগেয়ে দলটোৱে এঘাৰটা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছিল।

বিজেপিয়ে অহা ১৮ মাৰ্চত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া আটাইকেইটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰত প্ৰকাশ কৰে। আসন বুজাবুজি সন্দৰ্ভত আজি গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনাৰ পাছত কাইলৈ ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইপিনে, কংগ্ৰেছ দলে ৪২ গৰাকী প্ৰাৰ্থীৰ আৰু এ আই ইউ ডি এফ দলে ৯গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

ইপিনে, নিৰ্বাচনী প্ৰস্তুতিৰ মাজতি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ যোগদান প্ৰক্ৰিয়া চলি আছে। এবছুৰ প্ৰাক্তন সভাপতি দ্বিপেন বড়োৱে আজি ওদালগুৰিত ইউ পি পি এল দলত যোগ দিয়ে। দলৰ সভাপতি প্ৰমোদ বড়োৱে তেওঁক দলটোলৈ আদৰণি জনায়।

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীৰ অধ্যক্ষতাত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত সকলো দলকে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা আৰু নিৰ্বাচনী আয়োগৰ আৰ্হি আচৰণ বিধি মানি চলিবলৈ আহ্বান জনোৱা হয়। চিৰাং জিলাত চিদলী, চিৰাং আৰু বিজনী সমষ্টিৰ বাবে কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত নিৰ্বাচনী বিষয়াৰ প্ৰশিক্ষণৰ আজি সামৰণি পৰে।

০০০০

পঞ্চদশ বিত্তীয় আয়োগৰ অধীনৰ স্বাস্থ্য সেৱা বিভাগলৈ আৱণ্টিত পুজিৰ জৰিয়তে যোৰহাট জিলাৰ দহোটীয়া আৰু শোলমৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্থাপন কৰিবলৈ লোৱা ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ আজি আধাৰশিলা স্থাপন কৰা হয়। যোৰহাট বিজেপিৰ সভাপতি শান্তনু পুজাৰীয়ে এই চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

০০০০

বজালী জিলাৰ পাটাছাৰকুছিত ২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলৈ লোৱা আধুনিক সা-সুবিধাসম্পন্ন প্ৰেক্ষাগৃহৰ আজি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পাটাছাৰকুছিত এটা অনুষ্ঠানত এই প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে অনুদান ঘোষণা কৰিছিল। মন্ত্ৰী

শ্ৰীদাসে আজি আধাৰশিলা স্থাপন কৰি এই অনুদানৰ ১ কোটি টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছিল বুলি জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ আগেয়ে পাটাছাৰকুছি বিদ্যাপীঠ খেলপথাৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিধায়ক পুঁজিৰ ১০ লাখ টকা অনুদানেৰে কৰিবলগীয়া নিৰ্মাণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ